# নিয়ৰ

*প্ৰকৃতিৰ ৰূপ-বৈচিত্ৰ্যই মানুহৰ মনলৈ কঢ়িয়াই আনে অনাবিল সুখ। প্ৰতিটো পুৱাই আমাৰ অজানিতে দি যায় আশাৰ বতৰা। এই বৰ্ণময় বাৰ্তাৰ অন্যতম বাহক হ'ল 'নিয়ৰ'। মুকুতা সদৃশ নিয়ৰ কণাবোৰ ঘাঁহ-বনৰ ওপৰত কাহিনি পুৱাতে জিলিকি থকা দেখিলে আমাৰ মনলৈ নানা ভাব অহাটোৱেই স্বাভাৱিক। ফটিক পানীৰে ধোৱা এই নিয়ৰৰ কণাবোৰ যেন নিশাৰ আকাশৰ পৰা সৰি পৰা তৰাৰ এক অনবদ্য ৰূপ। কবিৰ কল্পনাত নিয়ৰ নৃত্যৰতা পৃথিৱীৰ ডিঙিৰ পৰা ছিগি পৰা একোটি মণি অথবা পুৱাৰ পোহৰত সেমেকি উঠা একোটোপাল চকুপানী।*



মুকুতা মণিটি পাহিত জিলিকে
ফটিক পানীত ধোৱা,
নিশাৰ তৰা এটি সৰিয়েহে আছে
সৰগত টোপনি যোৱা।
নিজম আকাশৰ নিচুক কথাটি
হিয়াত থৈছে সাঁচি,
কোন কাহানিৰ সপোন দেখিছে
কোনে হাঁহিছিল নাচি।
ফুলনিত কোনে নিশা নাচিছিল
ছিগি ৰৈ গ'ল মণি,
ৰঙ্গিলীৰ ভাব হাঁহি নাচোনৰ
ৰ'ল চিন এইকণি,
পুৱাৰ হেঙুলি বেলিটিলৈ চাই
এটুপি চকুৰ পানী।
নিয়ৰ কলিৰে শোভে ফুল জুপি
চাইছো ভাবতে ভাহি,
হায় কি বিষম পেলালে বায়ুৰে
জোকাৰি ফুলৰ পাহি।



কবি — চন্দ্ৰকুমাৰ আগৰৱালা

*(উৎস — কুৰি শতিকাৰ অসমীয়া কবিতা, সম্পাদনা — নীলমণি ফুকন, পৃষ্ঠা-৯, প্ৰকাশক — অসম প্ৰকাশন পৰিষদ)*

জানো আহা

**চন্দ্ৰকুমাৰ আগৰৱালা (১৮৬৭-১৯৩৮)**— অসমীয়া সাহিত্যলৈ ৰোমাণ্টিক সাহিত্যৰ ঢল বোৱাই অনা কবিসকলৰ ভিতৰত চন্দ্ৰকুমাৰ আগৰৱালা অন্যতম। তেখেতৰ শ্ৰেষ্ঠ কবিতা পুথি হ'ল 'প্ৰতিমা'। সেইবাবে তেখেতক 'প্ৰতিমাৰ খনিকৰ' বোলা হয়। তেখেতৰ কবিতা পুথিসমূহ হ'ল — প্ৰতিমা, বীণ ব'ৰাগী, চন্দ্ৰামৃত আদি। তেখেত 'জোনাকী কাকত'ৰো প্ৰথম সম্পাদক আছিল। ১৯৩৮ চনত তেখেতৰ দেহাৱসান ঘটে। লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামী — এই তিনিজনক সেই সময়ত অসমীয়া সাহিত্যৰ চৰ্চা কৰাসকলে 'জোনাকীৰ ত্ৰিমূৰ্তি' বুলিছিল। এই ত্ৰিমূৰ্তিৰ অৱদান সৰ্বজন সমাদৃত।

## ক্ৰিয়া-কলাপ

### ক — পাঠভিত্তিক ক্ৰিয়া



১। কবিতাটো শুদ্ধ আৰু স্পষ্টকৈ পঢ়া আৰু আবৃত্তি কৰা।

২। উত্তৰ দিয়া ।

(ক) মুকুতা মণিটি বুলি কবিয়ে কিহক বুজাইছে?

(খ) নিয়ৰক কবিয়ে কাৰ কাৰ লগত তুলনা কৰিছে?

(গ) নিয়ৰে হিয়াত কি সাঁচি থোৱাৰ কথা কৈছে?

(ঘ) ফুলনিত কি ছিগি বৈ গ'ল?

(ঙ) কবিয়ে কি সৰি থকাৰ কথা কৈছে?

৩। কবিতাটোৰ মূলভাৱ চমুকৈ লিখা।

৪। শব্দ-সম্ভাৰ আৰু অভিধান চাই তলৰ শব্দবোৰৰ অৰ্থ লিখা।

| শব্দ | অৰ্থ |
|---|---|
| ফটিক | ......... |
| শোভে | ......... |
| হেঙুলি | ......... |
| নিজম | ......... |
| নিচুক | ......... |

৫। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা।

“নিজম আকাশৰ নিচুক কথাটি
হিয়াত থৈছে সাঁচি,
কোন কাহানিৰ সপোন দেখিছে
কোনে হাঁহিছিল নাচি।”



৬। পাঠৰ পৰা অন্ত্য মিল থকা শব্দবোৰ লিখা।

উদাহৰণ — ধোৱা → যোৱা ............ ............

............ — ............ ............ ............

............ — ............ ............ ............

............ — ............ ............ ............

## খ— ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

৭। উল্লিখিত শব্দবোৰৰ সমাৰ্থক শব্দ লিখা।

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| টোপনি | | বেলি | | পানী | | ফুল | |
| নিশা | | সপোন | | আকাশ | | চকু | |

৮। বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা।

| | | | |
|---|---|---|---|
| ছিগা | | সৰগ | |
| পুৰা | | দিন | |
| নিজম | | হাঁহি | |

৯। বাক্য ৰচনা কৰা।

মুকুতা পাহি শোভে নিচুক ফুলজুপি ফটিক

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**জানো আহা**

**মুকুতা মণিটি** পাহিত জিলিকে
**ফটিক পানীত** ধোৱা,
**নিশাৰ তৰা** এটি সৰিয়েহে আছে
**সৰগত** টোপনি যোৱা।

ওপৰৰ পদ্যফাকিত থকা **মুকুতা, মণি, ফটিক, পানী, নিশা, সৰগ** আদি শব্দকেইটি মূল সংস্কৃত ভাষাৰ পৰা অহা। তাৰে ভিতৰত **মণি** আৰু **নিশা** শব্দ দুটিৰ ৰূপ অলপো সালসলনি নোহোৱাকৈ সংস্কৃতৰ দৰে হুবহু একে আছে ; কিন্তু **মুকুতা, ফটিক, তৰা, সৰগ** আদি শব্দ সংস্কৃতৰ মূল ৰূপ **মুক্তা, স্ফটিক, তাৰা, স্বৰ্গ** আদি শব্দবোৰ অলপ সলনি হৈ অসমীয়া ভাষাত ব্যৱহাৰ হৈছে। এনেধৰণৰ অনেক সংস্কৃত শব্দ অসমীয়া ভাষাত আছে। সংস্কৃতমূলীয় শব্দবোৰক প্ৰধানকৈ তিনিটা ভাগত ভগোৱা হয়। সেই ভাগ তিনিটা হ'ল —

**(১) তৎসম (২) অৰ্ধতৎসম আৰু (৩) তদ্ভৱ।**

**(১) তৎসম ঃ** যিবোৰ সংস্কৃত শব্দ পোনে পোনে আহি অসমীয়া ভাষাত প্ৰৱেশ কৰিছে, সেইবোৰক **তৎসম** শব্দ বোলা হয়। **তৎসম** শব্দৰ ৰূপ (বানান) এতিয়াও সংস্কৃতৰ দৰে আছে যদিও অসমীয়াত সেইবোৰৰ উচ্চাৰণ কিছু সলনি হৈছে।

**তৎসম শব্দৰ উদাহৰণ—**

| **সংস্কৃত ৰূপ** | **অসমীয়া তৎসম ৰূপ** |
|---|---|
| আকাশ | আকাশ |
| অশ্ব | অশ্ব |
| বংশ | বংশ |
| বৰ্ণ | বৰ্ণ |
| হ্ৰস্ব | হ্ৰস্ব |
| দীৰ্ঘ | দীৰ্ঘ |
| জীৱন | জীৱন |



**(২) অৰ্ধতৎসম ঃ** যিবোৰ তৎসম শব্দত সংযুক্ত ব্যঞ্জনৰ মাজত স্বৰবৰ্ণ সোমাই শব্দবোৰ ভাঙি উচ্চাৰণ সৰল কৰা হয় আৰু লিখোঁতেও অসমীয়া উচ্চাৰণতে লিখা হয়, সেইবোৰেই অৰ্ধতৎসম শব্দ।

অৰ্ধতৎসম শব্দৰ উদাহৰণ—

| সংস্কৃত ৰূপ | | অৰ্ধতৎসম ৰূপ |
|---|---|---|
| ভক্তি | ⟶ | ভকতি |
| মুক্তা | ⟶ | মুকুতা |
| স্নেহ | ⟶ | চেনেহ |
| প্ৰীতি | ⟶ | পীৰিতি |
| শব্দ | ⟶ | শবদ |
| শস্য | ⟶ | শইচ |
| দৰ্শন | ⟶ | দৰশন |

(৩) তদ্ভৱ ঃ যিবোৰ সংস্কৃত শব্দ পোনে পোনে অসমীয়া ভাষাত ব্যৱহাৰ নহৈ পালি, প্ৰাকৃত আদিৰ মাজেৰে ৰূপ সলনি হৈ আহি অসমীয়া ভাষাত সোমাইছে, সেইবোৰক **তদ্ভৱ শব্দ** বুলি কোৱা হয় ।

তদ্ভৱ শব্দৰ উদাহৰণ—

| সংস্কৃত ৰূপ | | অসমীয়া তদ্ভৱ ৰূপ |
|---|---|---|
| কৰ্ম | ⟶ | কাম |
| হস্ত | ⟶ | হাত |
| সৰ্প | ⟶ | সাপ |
| কৰ্ণ | ⟶ | কাণ |
| অদ্য | ⟶ | আজি |
| দন্ত | ⟶ | দাঁত |

সংস্কৃতৰ দৰে ইংৰাজী ভাষাৰ অনেক শব্দই অসমীয়া ভাষাৰ শব্দ ভাণ্ডাৰ চহকী কৰিছে। তাৰে কিছুমান **তৎসম** শব্দৰ দৰে পোনে পোনে অৰ্থাৎ হুবহু ৰূপত আৰু আন কিছুমান **তদ্ভৱ** শব্দৰ দৰে সৰল হৈ সোমাইছে। সেইবোৰ শব্দ অসমীয়া শব্দ যেন হৈ পৰিছে। যেনে -

| ইংৰাজী শব্দ | | অসমীয়া ৰূপ |
|---|---|---|
| স্কুল | ⟶ | স্কুল |
| ইঞ্জিন | ⟶ | ইঞ্জিন |
| ডক্তৰ | ⟶ | ডাক্তৰ |
| গ্লাচ | ⟶ | গিলাচ |
| জেইল | ⟶ | জেল |
| গোডাউন | ⟶ | গুদাম |
| বক্স | ⟶ | বাকচ |

কিছুমান ইংৰাজী শব্দৰ লগত অসমীয়া শব্দ যোগ কৰি আৰু কেতিয়াবা ইংৰাজী শব্দৰ লগত অসমীয়া প্ৰত্যয় যোগ কৰিও নতুন শব্দ গঠন কৰা হয়। এনেবোৰ শব্দক **মিশ্ৰ শব্দ** বোলা হয়।
উদাহৰণ—

| | | | | |
|---|---|---|---|---|
| **ইংৰাজী শব্দ** | + | **অসমীয়া শব্দ** | ⇒ | **অসমীয়া ৰূপ** |
| হেড | + | পণ্ডিত | ⇒ | হেডপণ্ডিত |
| মটৰ | + | গাড়ী | ⇒ | মটৰগাড়ী |
| ডাক্তৰ | + | খানা | ⇒ | ডাক্তৰখানা |
| ভোট | + | অধিকাৰ | ⇒ | ভোটাধিকাৰ |
| **ইংৰাজী শব্দ** | + | **অসমীয়া প্ৰত্যয়** | ⇒ | **অসমীয়া ৰূপ** |
| স্কুল | + | ঈয়া | ⇒ | স্কুলীয়া |
| কলেজ | + | ঈয়া | ⇒ | কলেজীয়া |
| মাষ্টৰ | + | অনী | ⇒ | মাষ্টৰনী |
| ডাক্তৰ | + | অনী | ⇒ | ডাক্তৰনী |

১০। 'নিয়ৰ' কবিতাটিত থকা তৎসম আৰু তদ্ভৱ শব্দবোৰ বাছি উলিয়াই লিখা। তুমি জনা তৎসম আৰু তদ্ভৱ শব্দবোৰৰ এখন তালিকা প্ৰস্তুত কৰা।

১১। দৈনন্দিন জীৱনত বিভিন্ন ক্ষেত্ৰত তুমি ব্যৱহাৰ কৰা ইংৰাজী শব্দবোৰ ভাগে ভাগে লিখা।

| | |
|---|---|
| শিক্ষা সম্বন্ধীয় | স্কেল, ................................ |
| খেল সম্বন্ধীয় | ক্ৰিকেট, ................................ |
| যান-বাহন | স্কুটাৰ, ................................ |
| পোছাক-পাতি | ফ্ৰক, ................................ |
| আচবাব | টেবুল, ................................ |
| বাচন্-বৰ্তন্ | কাপ, ................................ |

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

১২। এটা শব্দত প্ৰকাশ কৰা।

(ক) যি আনৰ উন্নতি দেখিব নোৱাৰে

(খ) একে মাকৰ সন্তান

(গ) যাৰ ঘৰ-বাৰী নাই

(ঘ) যিজনে ভাল-বেয়া বিচাৰ কৰিব নোৱাৰে

(ঙ) যি আগেয়ে হোৱা নাই



১৩। 'নিয়ৰ' কবিতাটিত পোৱা তৰা, আকাশ, পানী, কথা, হিয়া, সপোন, চকু আদি শব্দ যুক্ত হৈ গঠিত খণ্ডবাক্যবোৰেৰে বাক্য ৰচনা কৰা।

| | | |
|---|---|---|
| তৰা-নৰা ছিঙি | - | (বৰকৈ বেগাই, ইমান বেগাই যে উজুটিত বন আদি ছিঙি যায়) |
| আকাশত চাং পতা | - | (অস্বাভাৱিক কল্পনা কৰা) |
| পানী তলৰ কাঁইট | - | (নেদেখা বিপদ, অজ্ঞাত শত্ৰু) |
| কথা চহকী | - | (বেছিকৈ কথা কোৱা লোক) |
| হিয়াৰ আমঠু | - | (অতি আদৰৰ) |
| অলীক সপোন | - | (অমূলক কল্পনা) |
| চকু চৰহা | - | (লোকৰ ভাল দেখিব নোৱৰা) |





জানো আহা

ফুলনিত কোনে নিশা নাচিছিল
ছিগি বৈ গ'ল মণি,

ছিগি ঃ আপোনা-আপুনি ছিগি যোৱা। আনে ইচ্ছা বা জোৰ কৰি ছিঙি থৈ যোৱা নহয়।

ছিঙি ঃ দুই বা অধিক খণ্ড বা টুকুৰা কৰি বেলেগ কৰা। যেনে - কেচুৰাটোৱে মাকৰ ডিঙিৰ মালাধাৰী ছিঙি পেলালে। ঠিক তেনেদৰে -

ভাগিৰ অৰ্থ আপোনা- আপুনি ভাগি যোৱা আৰু

ভাঙি মানে অইন কাৰক বা আনে ডোখৰ ডোখৰ কৰা।

যেনে- (ক) ভাগি গ'ল বীণ খনি ছিগি গ'ল তাঁৰ,
ৰই গ'ল অৱশেষ অমিয়া জোঁকাৰ।

(খ) "ভাঙ্ ভাঙ্ ভাঙ্ ভাঙ্
লোহাৰ শিকলি ভাঙ্।
ছিঙ্ ছিঙ্ ছিঙ্ ছিঙ্
দাসৰ বান্ধোন ছিঙ্।

১৪। **তলৰ বাক্যকেইটিৰ খালী ঠাইত অৰ্থৰ লগত সংগতি ৰাখি ভাগি, ভাঙি, ছিগি, ছিঙি বহুৱাই পূৰ কৰা।**

(ক) মেৰামতি নকৰা বাবে জহি-খহি ঘৰটো ——— গ'ল।

(খ) ধুমুহাই ঘৰটো ——— পেলালে।

(গ) পুৰণি হোৱা বাবে ৰছীডাল ——— থাকিল।

(ঘ) জোৰকৈ টনা-আঁজোৰা কৰা বাবে ৰছীডাল ——— গ'ল।

(ঙ) এবছৰ নৌহওঁতেই মথাউৰিটো ——— গ'ল।

(চ) বানপানীয়ে মথাউৰিটো ——— পেলালে।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## গ— জ্ঞান সম্প্ৰসাৰণ

**১৫। দলত বহি নিজৰ নিজৰ অভিজ্ঞতাৰ কথা কোৱা আৰু লগৰীয়াৰ অভিজ্ঞতাৰ কথা শুনা।**

(ক) পুৱা খালী ভৰিৰে নিয়ৰসিক্ত দুবৰি গচকি পোৱা অনুভূতি

(খ) পদুম, কচু বা অন্যান্য গছৰ পাতত তিৰ্‌বিৰাই থকা নিয়ৰৰ টোপাল দেখি মনত জাগি উঠা অনুভৱ

(গ) গছৰ পাতৰ পৰা টোপা টোপে নিয়ৰ সৰা দেখি কৰা কল্পনাবোৰ

| জানো আহা |
|---|
| **নিয়ৰ—** জাৰকালি আকাশৰ বায়ু চেঁচা হৈ তাত থকা জলীয়বাষ্প গোট মাৰি সৰু সৰু পানীৰ কণিকাৰূপে ঘাঁহ-বনত লাগি ৰয়। এয়াই নিয়ৰ।<br>**নিয়ৰ-ভঙা—** নিয়ৰ-ভঙা মানে জন্তুৰ আগ-চেউবাৰ সন্মুখৰ ডিঙিৰ তলৰ ভাগ। আন এটি অৰ্থ হ'ল- দৰাৰে সৈতে ৰাতি নিয়ৰ গৰকি কন্যাৰ ঘৰলৈ যোৱা কাৰ্য। যেনে- নিয়ৰ-ভঙাৰ লাৰু, নিয়ৰ-ভঙাৰ তামোল-পাণ ইত্যাদি। |

**১৬। সাঁথৰ ভাঙা।**

(ক) মৌ-মাখি নহয় কিন্তু
কৰে গুণ্ গুণ্
বামুণ নহয় কিন্তু
কান্ধত লগুণ।

(খ) ৰজাৰ ঘৰৰ হাতী
ধান খায় পাচি পাচি।

(গ) ৰজাৰ কাপোৰ তিয়াব পাৰি,
শুকুৱাব নোৱাৰি।

## ঘ — প্ৰকল্প

**১৭। চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতা সংগ্ৰহ কৰি শ্ৰেণীকোঠাত আবৃত্তি কৰা।**

**১৮। সকলোৱে মিলি অসমীয়া ভাষাত থকা তৎসম আৰু অৰ্ধতৎসম শব্দৰ এখন তালিকা কৰি শ্ৰেণীকোঠাত ওলোমাই থোৱা।**

## পাঠ ১

### পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- শুদ্ধ আৰু স্পষ্টকৈ কবিতা পঢ়িব পৰা আৰু আবৃত্তি কৰিব পৰা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- কবিতাৰ মূলভাৱ বুজি পোৱা
- কঠিন শব্দৰ অৰ্থ বুজি পোৱা
- ব্যাখ্যা কৰিব পৰা
- একে অৰ্থ প্ৰকাশক শব্দ জনা, বাক্য ৰচনা কৰিব পৰা
- বিপৰীত অৰ্থ প্ৰকাশক শব্দ জনা
- তৎসম আৰু অৰ্ধতৎসম শব্দ জনা
- এটা শব্দত প্ৰকাশ কৰি লিখিব পৰা
- সাঁথৰ ভাঙিব পৰা
- চন্দ্ৰকুমাৰ আগৰৱালাৰ বিষয়ে জনা আৰু তেখেতৰ কবিতা সংগ্ৰহ কৰি পঢ়ি আবৃত্তি কৰিব পৰা

### শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| কবিতা পাঠ | কবিতাটো শুদ্ধ আৰু স্পষ্টকৈ পঢ়িব পৰা | কবিতাটো আবৃত্তি কৰিব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | কবিতাটোৰ মূলভাৱ আৰু ব্যাখ্যা লিখিব পৰা | কবিতাটোৰ কঠিন শব্দৰ অৰ্থ লিখিব পৰা | কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ বিষয়ে জানি ক'ব পৰা |
|---|---|---|---|---|---|---|
| | | | | | | ✗ |
| ভাষা অধ্যয়ন (ব্যাবহাৰিক ব্যাকৰণ) | সমাৰ্থক শব্দ লিখিব পৰা | বিপৰীত অৰ্থ বুজোৱা শব্দ লিখিব পৰা | বাক্য ৰচনা কৰিব পৰা | তৎসম শব্দ, অৰ্ধতৎসম আৰু তদ্ভৱ শব্দৰ বিষয়ে জানি ক'ব পৰা | তৎসম শব্দবোৰ অৰ্ধতৎসম শব্দলৈ সলনি কৰিব পৰা | এটা শব্দত প্ৰকাশ কৰিব পৰা |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | নিজৰ অভিজ্ঞতা প্ৰকাশ কৰি ক'ব পৰা | আনৰ অভিজ্ঞতাখিনি বুজি ক'ব পৰা | সাঁথৰ ভাঙিব পৰা | | | |
| | | | | | | |
| প্ৰকল্প | কবিতা সংগ্ৰহ কৰি আবৃত্তি কৰিব পৰা | | তৎসম আৰু অৰ্ধতৎসম শব্দৰ তালিকা প্ৰস্তুত কৰিব পৰা | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে × চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*